



**Digital Edition published after demise of Zubin Garg**

# জুবিন গাৰ্গ জিন্দাবাদ

## দেৱজিৎ ভূঞা

প্ৰতিশ্ৰুতি প্ৰকাশন
গৃহ নং ৪৬, প্ৰথম মহলা, হেদায়েৎপুৰ, গুৱাহাটী-৩
ফোন নং - ৭০০২০-৬৫৮৯৬

**JUBIN GARG ZINDABAD :** A Collection of Assamese Poems, composed by Devajit Bhuyan and Published by Pratishruti Prakashan, House No. 46, First floor, Hedayetpur, Guwahati 781003

Price Rs. : 60.00 (Rupees Sixty only)
First Published : December, 2019

ISBN : 978-93-89969-04-2

# জুবিন গাৰ্গ জিন্দাবাদ

লেখক ঃ দেৱজিৎ ভূঞা (www.devajitbhuyan.com)
প্ৰকাশক ঃ প্ৰতিশ্ৰুতি প্ৰকাশন
গ্ৰন্থস্বত্ব ঃ লেখক
মূল্য ঃ ৬০.০০ টকা
বেটুপাত ঃ মনজিৎ মালাকৰ
আৰ্হিপাঠ ঃ কংকন কুমাৰ কলিতা
অংগসজ্জা ঃ প্ৰদীপ বৰ্মন
মুদ্ৰণ ঃ প্ৰতিশ্ৰুতি প্ৰিণ্টাৰ্ছ
গৃহ নং ৪৬, প্ৰথম মহলা,
হেদায়েৎপুৰ, গুৱাহাটী-৩
ফোন নং - ৭০০২০-৬৫৮৯৬

## 1.জুবিন গাৰ্গ জিন্দাবাদ

জুবিনে লৈছে আজি সুন্দৰ পদক্ষেপ
বলি বিধান হওক এতিয়া নিঃশেষ
নৰবলি কোন কাহানিবাই বন্ধ হ'ল
সতী প্ৰথাও দেশৰ পৰা আতৰি গ'ল
জীৱ-জন্তুৰ বলি পাচে কিয়বা চলি ৰ'ল?
এয়া হ'ল পূজাৰী সকলৰ চলনাৰ ফল
ভগবানৰ নামত জীৱ হত্যা ডাঙৰ পাপ
ঈশ্বৰে পূজাৰী সকলক নিশ্চয় দিয়ে শাপ
জীৱহত্যাকাৰীহঁত সদায় তিলতিকৈ মৰে
বলি আগবঢ়োৱা সকলেও কোনো পুণ্য নকৰে
জুবিন তুমি বলিবিৰোধী সংগ্ৰাম চলাই যোৱা
শংকৰ-মাধৱৰ তুমি উত্তৰসুৰী হোৱা।

## 2.জুবিন তুমি আচল মানুহ

জুবিন তুমি লগুণ দলিয়াই পেলালা
জাতিভেদ দূৰ কৰাত বিপ্লৱ আনিলা
লগুণৰ ন দাল সুতা জোৰা লগোৱা
ৰামধেনুৰ ৰঙৰ তাৰে এখন চিলা উৰুৱা
জাতপাতৰ বাবেই সমাজ ভাগ ভাগ হ'ল
পূজাৰীৰ অত্যাচাৰত বহুতো ইছলামলৈ গ'ল
বহু জনজাতীয় সেয়ে হিন্দু হৈ নৰল
লগুণ আজিও সমাজত বিভেদৰ প্ৰতীক
তোমাৰ সিদ্ধান্ত সেয়ে সম্পূৰ্ণভাৱে সঠিক
অকল চাকৰি সংৰক্ষণৰে জাতপাত শেষ নহব
লগুণৰ দৰে প্ৰতীকো কবৰলৈ যাব লাগিব।

**3.প্ৰগতিশীল জুবিনক চালাম**

জুবিনে পেলালে নিজৰ লগুণ ছিঙি
জুবিনে দিলে জাত পাতৰ বান্ধোন ভাঙি
জুবিনক মানিলো সেয়ে সঁচা প্ৰগতিশীল
সমালোচনাাকাৰী সকল হ'ল ৰক্ষণশীল
এঁকৈশ শতিকাত জাতপাতৰ নাই দৰকাৰ
হব লাগিব জাতপাত বিহীন সুন্দৰ চৰকাৰ
সৰ্বশক্তিমান ঈশ্বৰক নালাগে বলি বিধান
ঈশ্বৰৰ চকুত সকলো জীৱ একে সমান
বাঘে মাৰিলে নকওঁ ঈশ্বৰৰ আগত এয়া বলি
সৰ্প দংশনত মৃত্যু জানো আল্লাৰ ওচৰত কোৰবানি
সৰ্বশক্তিমান ঈশ্বৰ যদি সচাকৈয়ে এজন
জাতপাত, ধৰ্মৰ নামত কিয় বিভেদৰ বান্ধোন?

**4.জুবিনক প্ৰণাম**

জুবিন তোমাক জনাও শতকোটি প্ৰণাম
মানবতাক তুমি সদায় জনোৱা সন্মান
জাত-পাতৰ বিভেদ তুমি একো নামানা
বৰ্ণবাদৰ প্ৰতীক সেয়ে দলিয়াই পেলোৱা
ভূপেনদাই কাহানিও নকৈছিল নিজৰ জাত
প্ৰশান্ত অনামিকাৰ হৈ গানেৰে মাতিছিল মাত
ক্ষুদ্ৰ জীৱকো তুমি কৰা মৰম আদৰ
উচ্চ নীচ ভাৱ তোমাৰ মনৰ পৰা আতৰ
বৰ্ণ জাত ধৰ্মৰ ঊৰ্ধৰ সমাজ তুমি গঢ়া
অসমী আইৰ নাম জগতত উজ্বল কৰা।

**5.জুবিনৰ সৰলতা**

শিশুসুলভ সৰলতা দুৰ্বলতা নহয়
ই সত্য, সুন্দৰৰ বিমূৰ্ত প্ৰকাশ হয়
সৰলতা মনৰ স্বচ্ছতাৰ এক ৰূপ
সহজ সৰল মানুহ সজ, ই ধ্ৰুৰূপ
সৰল হ'লে বুজিবা তেও হৃদয়বান
সৰলতাক দুৰ্বলতা বুলি নিদিবা অপমান
সৰল মনেৰে কৰে শিশুয়ে কৰে নিষ্ঠুৰ হৃদয় জয়
জুবিনৰ দৰে সৰল মানুহে কাকো নকৰে ভয়
জুবিনৰ মন সদায় আছিল সৰলতাৰে ভৰা
সহজ সৰল পথেৰে সজ জীৱন যাপন কৰা।

## 6.জুবিনৰ উপমা

গো মাংস খোৱা নোখোৱা ব্যক্তিগত কথা
ৰাজহুৱা ভাবে উপমা দি জুবিনে লগালে লেঠা
জুবিনে কোৱা নাই সকলো খেলুৱৈয়ে গৰু খাওক
অলিম্পিক পদক জয় কৰিবলৈ সকলো যাওক
অলিম্পিক পদক বিজয়ী সৰহ সংখ্যকে গো মাংস খাই
খেলুৱৈক অধিক প্ৰটিনৰ প্ৰয়োজন জুবিনে বুজি পায়
খেলুৱৈক উপদেশ দিবৰ বাবে প্ৰশিক্ষক থাকে
ডায়েটিচিয়ান সকলেও অনবৰত খেলুৱৈৰ খবৰ ৰাখে
হঠাৎ কোনেও নকৰে খাদ্যাভাষ অযথা সলনি
শৰীৰে গ্ৰহণ নকৰিলে হব বমি আৰু গ্ৰহণী
ডাক্টৰ, ডায়েটিচিয়ান, প্ৰশিক্ষকে দিব উপদেশ
জুবিনে মাত্ৰ কৈছে খাদ্যত হওক পুষ্টিকৰ পৰিবেশ
খাদ্যৰ উপমাৰ বাবে অযথা বিৰ্তকৰ কোনো স্থান নাই
জুবিনৰ কথাষাৰ উপমা বুলি সকলোৱে বুজা ভাই।

## 7.জুবিন তুমি প্ৰাপ্তবয়স্ক হোৱা

জুবিন তুমি এতিয়া প্ৰাপ্তবয়স্ক হোৱা
কৈশোৰৰ অশ্লীল শব্দবোৰ মুখৰ পৰা দূৰ কৰা
অযথা বিতৰ্ক সৃষ্টি কৰি কিয় নষ্ট কৰা নিজৰ সময়
লৰা-খেদা সমান ভাগৰ বুলি বুজি ল'বা নিশ্চয়
গায়ক সকলো সামাজিক শৃংখলাৰ ঊৰ্ধ্বত নহয়
সীমাৰেখা পাৰ কৰিলেই তীব্ৰ সমালোচনা হয়
নিজৰ কামত অধিক সময় আত্মনিৰ কৰা
ফেন ক্লাবৰ চেঙেলীয়াৰ লগত ওলোটাখৰ নামাৰা
বয়স হোৱাৰ লগে লগে বুদ্ধি ভাল হোৱা উচিত
ভূপেনদা আৰু ভাৰত ৰত্নক কটাক্ষ কৰা অনুচিত
বিৰলে ৰজাকো চৰ্চে সকলোৱে এই কথা জানে
তোমাৰ ফেনে ভাইৰেল কৰিহে বিপদ মাতি আনে।

**৪.ময়েই কাঞ্চনজংঘা**

মই শুভ্ৰ শিখৰ কাঞ্চনজংঘা
মোৰ নাই জাতি, মোৰ নাই ধৰ্ম
শুকুলা ডাৱৰে চুমি যায় মোক
মুক্ত মই চিৰদিন নাই কোনো ৰোষ
মানব সৃষ্ট বিভেদে মনত দিয়ে দুখ
ভাষাৰ পৰিধিত নহও মই আবদ্ধ
দিগবলয়ত মই নহও কাহানিও সীমাবদ্ধ
সময় পাৰহৈ যায় বছৰ, যুগ, শতিকা হৈ
হেৰাই যায় ইতিহাসৰ বহুতো পৃষ্ঠা
তথাপি মই থিয় হৈ আছো উচ্চ শিৰে
চিৰ প্ৰবাহমান সময়ৰ বুকুত
কাৰণ মই কাঞ্চনজংঘা পৰিধি বিহীন
মোৰ নাই জাতি, ধৰ্ম, বৰ্ণ কিম্বা ভাষাৰ প্ৰাচীৰ
ময়েই শুভ্ৰ প্ৰেম, ভাতৃত্ববোধ, মানবতা; ময়েই কাঞ্চনজংঘা।

**৭.গানে কি আনে?**

গানে কি আনে কোনেও নাজানে
অমিতাভ-জয়াৰ চিনেমাখন বহুতে জানে
জুবিনৰ মিচন চাইনা যদিও হিট হ'ল
চিনেমাখন কিন্তু বৰ এটা ভাল নহ'ল
কাঞ্চনজংঘাক পাচে ভাল বুলি পাৰি কব
কোনখন সকলোতকৈ ভাল দৰ্শকে বিচাৰ কৰিব
অসমীয়া চিনেমাৰ এতিয়া এতিকে বেয়া দিন
গানে কি আনে চিনেমা হলত হব সময়ত হব চিন
অসমীয়া চিনেমাক জীয়াই ৰখাৰ জুবিনৰ আৰু এক প্ৰচেষ্টা
অসমীয়া চিনেমাৰ ওপৰত দৰ্শকৰ নাইকিয়া হ'ল আস্থা
গানে কি আনে চাবৰ বাবে নিজৰ সুবিধা মতে কৰা ব্যৱস্থা।

**10.এক ওড় ৰঙৰ কলম**

কলম কলম কলম
এক ওড় ৰঙৰ কলম
কলমত খবৰ কলমত মৰম
কলমত হয় পদ ধৰমৰ
কলমত পঢ়ন কলমত পঠন
কলমৰ খতত ধনৰ গমন
কলম কলম কলম
এক ওড় ৰঙৰ কলম;
কলমৰ চনদত গলত ফই
কলমৰ চমনত নৰৰ ভয়
কলমৰ জনৰৱত হয় জবই
কলমৰ বলত জয়জয়-ময়ময়
কলম কলম কলম
এক ওড় ৰঙৰ কলম;
কলমৰ নদন বদন খতম হল
এই সময় কলমৰ পতনৰ পল
কলমৰ পৰশত নহয় ভণন
কলম নহয় সবল সহচৰ
পৰচ সকলৰ অসমধ কলম
এসময়ত অকলশৰ হব কলম
কলম কলম কলম
এক ওড় ৰঙৰ কলম।

## 11.অসমৰ দুই সংগীত ৰত্ন

জুবিন পাপন দুয়ো অসমৰ ৰত্ন
অসমবাসী দুয়োৰে লোৱা যত্ন
ভাল সমালোচনাই মানুহক শুদ্ধ কৰে
অযথা লেং মাৰিলেহে বিপদত পৰে
সৰু ভুলতেই পাপনক কিয় গুৰু শাস্তি
জুবিনকো ৰাইজে মাজে মাজে দিয়ে অশান্তি
দুয়োৰে সংঘাট লগাবলৈ বহুতৰে চেষ্টা
ব্যৰ্থ হওক বিভেদকাৰী হতৰ প্ৰচেষ্টা
দুয়ো অসমৰ সংগীত ভাৰতত কৰিছে প্ৰতিষ্ঠা
তেওলোক আগুৱাই যোৱাৰ অসমীয়া লোৱা ব্যৱস্থা
লোকগীত পাপনে নিচে বিশ্ব দৰবাৰত আগুৱাই
বলীউডতো পাপনে দিলে সকলোকে বিহু নচুৱাই
চাংহাই, পেৰিচ,চিডনীত যেতিয়া য়ালি য়ালি শুনো
জুবিন অসমৰ সঁচা সংগীত ৰত্ন নিশ্চয়কৈ জানো
বহাগৰ বতৰত দুয়োকে দিওঁ আহা ৰঙা দলিচা পাৰি
অযথা বিৰ্তক সমালোচনাৰে নিদিবা লেং মাৰি।

## 12.মুনিন বৰুৱা

ভাইমন ভাইমন মোহিছিলা এদিন দৰ্শকৰ মন
প্ৰভাতী পখীৰ গানে আহি দিলে বিধাতাৰ সংবাদ
হিয়া দিয়া নিয়া নায়ক হ'ল হেনো এতিয়া প্ৰবাদ
অসমীয়া চলচিত্ৰৰ মুনীন বৰুৱা আছিল দীনবন্ধু
পিতাপুত্ৰ বোৱাৰী সকলোৰে মনত সেয়ে দুখৰ সিন্ধু
তোমাৰ অবিহনে অসমীয়া ছবি অভিভাৱক বিহীন
সকলোকে শোকত পেলাই তুমি হ'লা ভূতত বিলীন
ভ্ৰাম্যমান থিয়েটাৰৰো তুমিআছিলাএক উজ্বল তৰা
দৰ্শকৰ ৰুচিবোধক তুমি কোনোদিনে নিৰাশ নকৰা
তোমাৰ মহাপ্ৰয়াণত আজি অসমৰ জনগণ মৰ্মাহত
ৰামধেনুহৈ উজলিৰবা অসমৰ সংস্কৃতিৰ আকাশত।

## 13.অসমীয়া বোলছবি

অসমীয়া কথাছবি দৰ্শকে নাচায়
দ্বিতীয় দৰ্শনীতে মানুহ পাবলৈ নাই
অসমীয়া আলোচনীৰ দৰে একেই অবস্থা
কিয়বা দৰ্শকৰ অসমীয়া ছবিত নাই আস্থা
মিচন চাইনা ধুমকেতুৰ দৰে ওলাল
পাচৰ ছবিবোৰৰ কথা ব্যাপককৈ নোলাল
বিতৰক দৰ্শক সকলোৰে এলাগী হৈ
অসমীয়া ছবিৰ সোত কেনেকে থাকিব বৈ
কলা কুশলী সকল কিমান দিন ৰব বোজা লৈ
প্ৰযোজক পৰিচালক সকলো আতৰি যাব
অসমীয়া ছবি কোনোবাই চখত কৰা কলা হৈ ৰব।

## 13.অসমীয়া মাধ্যমৰ বিদ্যালয়

নাজানে যোগ নেওতা
নাজানে বিয়োগ নেওতা
নাজানে পূৰণৰ সৰু নেওতা
নাজানে পূৰণৰ বৰ নেওতা
এ প্লাচ বিৰ বৰ্গফল কোনেও নোৱাৰে
চাইন থিতা শুধিলে চুচুক চামাক কৰে
ৰাষ্ট্ৰপতি কোন হল এতিয়াও পোৱা নাই গম
তথাপি সপোন দেখে ইঞ্জিনিয়াৰ হোৱাৰ মন
সকলো শিশুতো একেই দেশৰ নাগৰিক
গাৱঁৰ শিশুৰ শিক্ষা কিয় নহয় চহৰৰ সম সাময়িক
গাৱঁৰ বিদ্যালয়ৰ শিশু সকলোতো দেশৰ ভবিষ্যত
তেওলোকৰ ভবিষ্যতৰ বাবে কিয় নহয় দেশ ব্যথিত
আইনৰ চকুত যদি সকলো নাগৰিক হয় সমান
শিক্ষাৰ ক্ষেত্ৰত তেনে কিচুমানক কিয় অপমান
অসমীয়া মাধ্যমৰ অধোগামী যাত্ৰা হবনে ৰোধ
কোনে দিব একৈশ শতিকাৰ শিশুক প্ৰবোধ
কিতাপ লৈ অহা যোৱাকে শিক্ষা বুলি নকয়
মনৰ উৎকৰ্ষতা আৰু জ্ঞান আহৰণ যদি নহয়।

## 14. মাতৃভাষাৰ ভৱিষ্যত

মধ্যবিত্তই কাহানিবাই মাতৃভাষাত শিক্ষা এৰিলে
ইংৰাজী মাধ্যমক মৰমেৰে আদৰিলে
অসমীয়া বঙালী সকলোৰে একেই অৱস্থা
মাতৃভাষাত প্ৰচলন কেৱল কথা বতৰা
গোলকীয় কৰণৰ এয়া আন এক ফল
মাতৃভাষাৰ অৱস্থা না জল না স্থল
বজাৰত মাতৃভাষাৰ কিতাপৰ নাই আদৰ
কোনোবাদিনা মাতৃভাষা হব তাহানিৰ যুগৰ
মাতৃভাষাৰ বাতৰি কাকত মধ্যবিত্ত কিশোৰে নপঢ়ে
কবিতা গল্প প্ৰবন্ধ সকলো স্কুলৰ ভাষাতহে পঢ়ে
লিখা পঢ়া কাম কাজ সকলোতে ইংৰাজীত হব
কথিত ভাষাহে মাতৃভাষা চিনেমা থিয়েটাৰত ৰব
ডিজিটেল মাধ্যমত লিপি বোৰ থাকিব চলি
লিপিবোৰ সেইবাবে কেতিয়াও নাযায় মৰি
কবিতা সাহিত্যবোৰ ইণ্টাৰনেটত থাকিব
ভাষাৰ বাবে আন্দোলনৰ প্ৰয়োজন নাথাকিব।

## 15. ভাষাৰ পূজাৰীৰ নাথাকে পৰিধি

ভাষাৰ পূজাৰীৰ নাথাকে পৰিধি
সুবাস বিলায় গোটেই বিশ্ব জুৰি
টলষ্টয়ৰ ভাষা কি নুশুধো এবাৰো
টলষ্টয়ৰ সাধু পঢ়ো কেইবাবাৰো
ফৰাছী গল্পৰ আছে নিজস্ব সোৱাদ
পঢ়িলেই দূৰ হয় মনৰ অবসাদ
ৰবীন্দ্ৰনাথৰ কাব্য সকলো ভাষালৈ গল
সীমাৰ পৰিধিত স্থবিৰ হৈ নৰল
মাতৃভাষা সকলোৰে আইৰ দৰে আপোন
মাতৃ ভাষাতেই দেখে জীৱনৰ প্ৰথম সপোন
মাতৃভাষাৰ বিশ্বজনীনতা সীমাৰ উৰ্দ্ধত
ফৰাছী ৰুচ লেটিনত নালাগে হব পাৰ্গত
সৰহ ভাষা জনাতো সদায় সুবিধাজনক
নকৰিবা কাম মাতৃভাষাৰ প্ৰতি অপমানজনক।

## 16.অসমীয়া ভাষা নহয় দুৰ্বল

অসমীয়া ভাষা কোনোকালে নাযায় মৰি
ডিজিটেল মাধ্যমে ৰাখিব চিৰদিন ধৰি
তাহানিৰ দুৰ্দিনতে অসমীয়া ভাষা বাচি গল
হেমকোষ চন্দ্ৰকান্ত আদি অভিধান ৰচনা হল
ডিজিটেল মাধ্যমত অসমীয়া বিশ্বকোষ বনোৱা
উইকিপেডিয়াৰ দৰে ৱেবচাইটত কথাবোৰ জনোৱা
আন্দোলনকাৰী প্ৰত্যেকেই অসমীয়াত লিখা ব্লগ
আজিৰবিশ্বত অসমীয়াভাষাৰ কেতিয়াও নহব ক্লগ
অসমীয়া উপন্যাস গল্পৰ কিণ্ডল সংস্কৰণ হওক
নব প্ৰজন্মই অসমীয়া ভাষা সাহিত্য আদৰি লওক
ইংৰাজীফৰাচীজাৰ্মানলৈ অসমীয়া অনুবাদ কৰক
ইংৰাজী মাধ্যমৰ নব প্ৰজন্মই এনে কামত ধৰক
অসমীয়া সাহিত্যলৈ বুকাৰ নবেল বটা আহক
তাৰবাবে আন্দোলনকাৰী সকল কামত লাগত
বঙালীভাষাই অসমীয়া ভাষাক নকৰে আজি ধ্বংস
চৰ্চা আৰু প্ৰয়োগ নহলেহে অসমীয়া হবগৈ নিসংগ
ভাষা সমূহৰ সমন্বয়তহে হব আধুনিক অসম সৃষ্টি
ৰাভা বড়ো মিচিং সকলো মিলি হল অসমীয়া কৃষ্টি
ইংৰাজী ভাষা চহকী বাবে সকলোৰে আদৰৰ হয়
ইংৰাজী ভাষাই নতুন শব্দ সকলো ভাষাৰ পৰা লয়
ভাষাৰ নামত আন্দোলনে ভাষাক নকৰে সবল
সাহিত্য চৰ্চা নকৰিলেহে অসমীয়া ভাষা হব দুৰ্বল।

## 17.চিৰ আপোন অসমী আই

এইখন দেশৰ মাটি অতিকে সাৰুৱা
চিৰদিন হৈ ৰম অসমী আইৰ ধৰুৱা
সাৰুৱা মাটিত হয় নানা গছ লতা বন
চৰাই চিৰিকতি সকলোৰে আনন্দ মন
ফলফুল খাদ্য সম্ভাৰেৰে বন আছে ভৰি
গড়বোৰে কাজিৰঙাত আনন্দেৰে ফুৰে চৰি
ব্ৰহ্মপুত্ৰ নদ অসমৰ অতিকে মনোমোহা
প্ৰাকৃতিক সৌন্দৰ্য্য অসমৰ চালে চকুৰোৱা
নাতিশীতোষ্ণ জলবায়ু অতিকে মনোৰম
নহয় অতিকে ঠাণ্ডা কিম্বা অতিকে গৰম
বাৰিষাৰ আকাশত মেঘে আহি কৰে খেলা
শাওণ মাহত ৰূপালী বৰষুণে পাতেহি মেলা
অসমতকৈ সুন্দৰ দেশ পৃথিবীত নাপাও বিচাৰি
অসমী আইক চিৰদিনৰাখিম বুকুৰ আপোন কৰি।

## 18.এইখন মোৰ মৰমৰ দেশ

এই খন মোৰ মৰমৰ দেশ
খাও ইয়াৰ বায়ু পানী জল
অসমৰ সন্মান নিদিও হব তল
দেশক ভাল পাও আইৰ দৰে
দেশৰ দুখত সেয়ে চকুলো সৰে
সন্ত্ৰাসবাদীয়ে যেতিয়া বোমা ফুটুৱাই
বুকুখন মোৰ বেদনাত ভাঙি যায়
লেতেৰা আৰ্বজনা যেতিয়া পথত দলিয়াই
চিঞৰি তেওলোকক মই দিও সকিয়াই
দূৰ্নীতিৰ ভৰত যেতিয়া সমাজৰ হয় ককাল বেকা
ৰাইজক চিঞৰি চিঞৰি কও ৰাইজ জাগি উঠা
শিশু শ্ৰমিকৰ যেতিয়া দেখো তেজৰঙা হাত
চিন্তাত নাযায় মোৰ পেটলৈ এগড়াও ভাত
দেশক ভালপাও বাবে সদায় চিঞৰি ফুৰো
দেশখন ভাল হোৱাৰ পথ বিচাৰি হাবাথুৰি কৰো
কোনোবাই কয় পাগল কোনোবাই কয় মূৰ্খ
দেশমাতৃৰ বাবে আজীবন কৰি যাম তৰ্ক
পাগল মূৰ্খ চেৰা ভণ্ড মোক যিয়েই নকওক
অসমৰ প্ৰতি ভালপোৱাত সন্দেহ নকৰক
মৰাৰ পাচতো আত্মাই মোৰ চিঞৰি ফুৰিব
দেশত সত্য সুন্দৰ প্ৰগতি দেখিলেহে শান্তি লভিব।

**19.ৰক্ষা কৰো আহা অসমী আইৰ আয়ু**

অসমৰ জলবায়ু অতিকে সুন্দৰ
গছ গছনি হয় সেয়ে নানা তৰহৰ
চিৰসেউজ বৰ্ষাৰণ্য অতি মনোমোহা
নদীৰ পাৰত হয় নানান গছ জোপোহা
ওখ ওখ ঘাহ বনত গড় বোৰ চৰে
কুমলীয়া ঘাহ খাই হৰিণৰ দল দৌৰে
বাঘৰ গোজৰনিত গজৰাজ থমকি ৰয়
বনৰীয়া মহজাকে কাকো নকৰে ভয়
সেউজীয়া চাহ বাগান চালে চকু জুৰাই
পকা ধানৰ আলিয়েদি ডেকাই সুহুৰিয়াই
নাতিশীতোষ্ণ বতৰ নহয় অতি গৰম বা শীত
মৌচুমী বায়ুয়ে দিয়ে জুৰ মলয়াৰ সৈতে গীত
অসমৰ দৰে জলবায়ু পৃথিবীত পাবলৈ নাই
অসম সেয়ে বিশ্বত এতিয়াও জৈৱবৈচিত্ৰৰ ঠাই
সকলোৱে মিলি ৰক্ষা কৰো আহা অসমৰ জলবায়ু
তেতিয়াহে চিৰযুগমীয়া হব অসমী আইৰ পৰমায়ু।

**20.টৌ টোকে ৰৌ টো**

টৌ টোকে কোনোবাই ৰৌটো কৰিলে
ৰৌ টোকে আকৌ টৌ বুলি চিঞৰিলে
লঘু দোষত পাপনৰ বিচাৰ কিয় লাগে
পাপন অনুৰাগীৰ মন সেয়ে দুখত ভাগে
আনন্দত মতলীয়া পাপনে কৰিলে সৰু ভুল
ইৰ্ষাপৰায়ণ সকলে সাজিছে ডাঙৰ শূল
হস্তীৰো পিচলে পাৱ সৰ্জ্জনৰো বুৰে নাও
পাপন বিৰোধীবোৰৰো আহা কামকাজ চাও
ভূপেনদাকো বহুতেই দিছিল নানা অপবাদ
মনত ভূপেনদাই পাইছিল অনেক আঘাট
পাপন তুমি বিপদত নহবা আজি বিচলিত
দুদিন পাচত সকলোৱে পাহৰিব এই সংঘাট
নতুন গানেৰে তুমি দিয়া সকলোকে প্ৰত্যুতৰ
অপবাদকাৰীলৈ হব সেয়া আচল সচা উত্তৰ।

## 21.আপোনেই আপোনৰ বৈৰী

দেশত দেখো আপোনেই আপোনৰ বৈৰী
আপোনেই আপোনৰ হৈছে ডাঙৰ শত্ৰু
ধন সম্পতি নে কিহৰ লোভত এনে হ'ল
নিজেই নিজকে শুধি শুধৰোৱাৰ পল
তাহানি অসমত হত্যা ধৰ্ষণ নহৈছিল
সমাজত প্ৰেম অমৃতৰ নদী বৈছিল
মানুহে মথিছিল দধী একতাৰ দোলেৰে
এক শৰণ ধৰ্ম হৈছিল আদৰৰ সকলোৰে
সকলো মানবেই বিশ্বত নিজৰ ককাই ভাই
শ্ৰীমন্ত শঙ্কৰে সকলোকে গৈছিল শিকায়
যত জীৱ তত শিৱ নৰ তুমি মানিবা সদায়
হত্যা ধৰ্ষণ হিংসা আতৰ কৰাৰ ই সহজ উপায়।

## 22. ক্ষন্তেকৰ ভোজ

এয়েতো জীৱন
ক্ষন্তেকৰ ভোজ
সময়ত যদি নোখোৱা
পাবা মনত দুখ
গৰমে গৰমে যদি
নোলোৱা জুতি
যেতিয়া খাবা উজুতি
জীৱন হব লটিঘটি
অনুতাপ হব চাটিফুটি
সময় নাহিব উভতি।

## 23.গাই যোৱা নতুনৰ নৱ নৱ গান

প্ৰতিটো পুৱাই সুৰুজে আহি কয়
গাই যোৱা নতুনৰ নৱ নৱ গান
পাচলৈ ঘূৰি ঘূৰি অযথা নাখাবা ভয়
জ্যোতিৰ আলোকেৰে বাট দেখুৱাম মই
অবিৰত যাত্ৰাৰ খোজ দৃঢ় হৈ লোৱা
জীৱনৰ কঠোৰ সংগ্ৰামত ভাগৰি নোযোৱা
ডাৱৰে কেতিয়াবা যদিও আবৰি ধৰে
ক্ষন্তেক পাচতে আকৌ বৰষুণ হৈ সৰে
ৰামধেনুৰ ৰঙবোৰেৰে সুন্দৰৰ পোহৰ বিলাও
নিজ পথেৰে একেদৰে অবিৰাম আগুৱাও
কক্ষ পথৰ পৰা হোৱা নাই কোনোদিন বিচ্যুত
প্ৰতিটো দিনে কৰিযাও নতুন সৃষ্টি সেয়ে মই অচ্যুত
লক্ষ্য স্থিৰ কৰি গাই যোৱা নতুনৰ নৱ নৱ গান
প্ৰতিটো পুৱাই আহি পোহৰেৰে মই পথ দেখুৱাম।

## 24.মানুহ আদিম হৈ ৰ'ল

মানুহ কিয়বা হল আজি
ধৰ্ষণকাৰী হিংস্ৰ শশু
মানুহৰ বাবে মানুহে
নমচে অকনো অশ্ৰু
সময় সচায় জানো
এতিয়া সলনি হ'ল
আজিও দেখোন বেলি
পশ্চিম ফালেই মাৰ গল
সভ্যতাৰ শিখৰতো
মানুহ আদিম হৈ ৰল
প্ৰযুক্তি মাথো
আগুৱাই গল
অবোধ কিশোৰীক
কি সতেৰে ধৰ্ষণ কৰে
মানুৰ ৰূপত
চয়তানে অট্টহাহি মাৰে।

**25.জীৱন**

(১)

এয়েটো জীৱন
মৃত্যুৰ ছা'ত জ্বলে
জীৱনৰ পোহৰ
জীয়াই থকাবোৰে
কবৰত তোকে চকুলো
মৃতকে পায় মৰম এবুকু।

(২)

জীয়াই থাকোতে
নাই অকনো সহানুভূতি
হিংসাৰ দাবানলত
লটিঘটি কৰে
মৃত্যুৰ পাচত
মৰাশৰ চাঙী ধৰে।

(৩)

জীৱন কালত নিদিলে
এষাৰি মৰমৰ মাত
নুখুৱালে এসাজ ভাত
হবিচ খাই এতিয়া উৎপাত
শোকত ভাঙি পৰে মাত
মানুহ যে কি অদ্ভূত জাত।

(৪)

জীয়াই থাকোতে সদায় বদনাম
মৰাৰ পাচত হঠাৎ হল ৰামনাম
সম্পতিৰ লোভত মৰমৰ দৰদাম
নিতৌ কৰে কববৰত এশ প্ৰণাম
আদালতক দেখুৱাব লাগিব প্ৰমাণ
তেহে পাব সম্পতিৰ ভাগ সমান।

**26.মৃত্যুক নকৰো ভয়**

মৃত্যুক কাহানিও নকৰো ভয়
মৃত্যুৰ কথাভাবি সময় নকৰো লয়
কামৰ মাজেৰেই কৰিম মৃত্যুক জয়
অযথা সেয়ে নকৰো দিনবোৰ ক্ষয়
পুৱা হলে নিতৌ পাও চৌবিশৰ চেক
নিশাৰ আগতে তাক কৰিব লাগিব শেষ
মান্যতা তাৰ পাচদিনালৈ আৰু নথাকিব
দিনটো শেষ হলে আকৌ চৌবিশৰ চেক আহিব
কোনোৱে নাজানে পাচে নতুন পুৱা আহিবনে নাই
আজিৰ কাম সেয়ে আজিয়েই কৰো ভাই
এতিয়াৰ কামবোৰ এতিয়াই কৰো
গধূলি বেলিকা কামবোৰৰ হিচাবত ধৰো
আজিৰ কাম শেষ কৰিবলৈ কেতিয়াও নাপাহৰো
মুকলি মন লৈ সেয়ে শেতেলীত পৰো
মৃত্যুক কাহানিও সেয়ে ভয় নকৰো
কাইলৈ পুৱা যদি নেদেখো সুৰুজ উদয়
তথাপিও হম মই জীৱন যুজত বিজয়।

**27.হাঁহি মাতি গুচি যাম**

মোৰ মৃত্যুত যদি চন্দ্ৰ সূৰ্য্য স্তব্ধ হল হয়
মৃত্যুক তেতিয়া কৰিলো হয় অতিকে ভয়
মোৰ মৃত্যুত যদি স্থবিৰ হল হয় জোৱাৰ ভাট্টা
অমৰ হবলৈ কৰিলো হয় আজীবন তপস্যা
মোৰ মৃত্যুত যদি শুকাল হয় নৈ জান জুৰি
মৃত্যু ৰোধিবলৈ ফুৰিলো হয় পৰ্বতে কন্দৰে ঘূৰি
মোৰ মৃত্যুত যদি কক্ষ্যচুত হল হয় আকাশৰ তৰা
জীৱন কাঢ়ি আনিলো হয় যম ৰজাৰ হাতৰ পৰা
মোৰ মৃত্যুত যদি হল হয় চুনামি অতিকে ডাঙৰ
অগস্ত্য মুনিৰ দৰে শুহিলো হয় সকলো সাগৰ
মোৰ মৃত্যুত মাথো সৰিব প্ৰিয় জনৰ চকুপানী
হাঁহি মাতি গুচি যাম সেয়ে সৃস্টিৰ চিৰসত্য মানি।

## 28.এই সময়ৰ শপত

এই সময়ত জনগণ শপত ল
অসমত নহব ধৰমৰ কলহ
অসম হল জনপদ শঙকৰৰ
সব ধৰমৰ অসমত হয় মৰম
ধৰমৰ লগত নহয় অযথ ঘৰষণ
পৰৰ ধৰম যজনত নহয় গজপ
গঠন হয় এক অসম ধৰমৰ ওপৰত
অসমৰ জনগণ ঘটক হ ধৰমৰ
জনৰৱত নকৰ চটফট ধৰফৰ
নৰৰ চলন কৰম হওক সহনৰ
সব ধৰমৰ এক মতত অসম হওক সৰগ।

## 29.বহাগ আহিলে বুলি

বহাগ আহিলে বুলি
মন মোৰ উঠে ফুলি
পমুৱা তুলাৰ দৰে উৰে
উতনুৱা বতাহত পলাশ সৰে
কুহিপাতে জুমি জুমি চাই
কুলিৰ মাতে হৃদয় ভৰাই
বৰদৈচিলাই গছ বন উৰুৱাই
ৰূপালী বৰষুণে পৃথিবী তিয়াই
বহাগ আহিলে বুলি
মন মোৰ উঠে ফুলি
পমুৱা তুলাৰ দৰে উৰে
উতনুৱা বতাহত পলাশ সৰে।

**30.মেঘালী**

মেঘালী মেঘালী
তুমি শৰতৰে শেৱালী
কহুৱাৰ দৰে
নাচি থাকা হালি জালি
আকাশ হয় যেতিয়া
কলা ডাৱৰে আবৰা
ৰূপালী বৰষুণ হৈ সৰা
ফৰকাল বতৰত তুমি
শুকুলা মেঘ হৈ উৰা
মেঘালী মেঘালী
তুমি শৰতেৰে শেৱালী
কহুৱাৰ দৰে
নাচি থাকা হালি জালি।

**31.বিধাতাৰ মেল**

চকুৰ লোতকেৰে
খেলিলো জীৱনৰ খেল
এয়ে হয়তো বিধাতাৰ মেল
কৃষ্ণচুড়া ফুলোতে
হেপাহেৰে বাদ চালো
তোমালৈ বৈ বৈ মাথো
হুমুনিয়াহ নিগৰালো
সৰাপাতবোৰ এদিন
ফাগুনে উৰুৱালে
তথাপি দেখো তোমাৰ
মোলৈ মনত নপৰিলে
চকুৰ লোতকেৰে
খেলিলো জীৱনৰ খেল
এয়ে হয়তো বিধাতাৰ মেল।

## 32.বালিমাহী

প্ৰতিতো পুৱাই আহি মোক জগাই
বেলকনিত পৰিলৈ চিঞৰ লগাই
কাক বিচাৰি কিয়বা আহে
ঐ বালিমাহী চিঞৰ লাহে লাহে
পুৱা হল বুলি পালো মই গম
বাতৰি কাকত বাৰু হাতত আনি লম
দুৱাৰ খুলিেও নাযায় আতৰি
আপোন মনৰে থাকে চিঞৰি
হয়তো মাতিছে নিজৰ লগৰী
এসময়ত নিজে উৰি গুচি যায়
বোধহয় লগৰীৰ মাত শুনা পায়।

## 33.তেলিপেথি

হৃদয়ৰ তৰংগবোৰেই কেতিয়াবা
আনৰ হৃদয়ত তোলেগৈ ঢৌ
তেলিপেথি নে কি নাপাও বুজি
হঠাৎ পাও দেখো অবুজ সহাৰি
ভালপোৱা জনক সেয়ে মনত পেলোৱা
তেওৰ বাবে এটোপাল চকুলো সৰোৱা
দেখিবা এদিনত তোমাকো পেলাইছে মনত
ঢৌ খেলি তৰংগবোৰেই ফুলাব
বকুল শেৱালী জীৱনৰ বনত
মিলন হব দুই অভিন্ন হৃদয়ৰ
নহব মৰমৰ বিচ্ছেদ জীৱনভৰ।

## 34.ৰাজনীতি

মানুহ কেৱল অন্ন বস্ত্ৰ বাসস্থানত নাথাকে জীয়াই
ৰাজনীতি কৰে ৰামায়ণ মহাভাৰতৰ দিনৰ পৰাই
ৰাজনীতি এতিয়া সমাজ জীৱনৰ অবিচ্ছেদ অংগ
ৰাজনীতিৰ অভাবত আৰব বিশ্ব হৈছে আজি ভংগ
বুদ্ধমহম্মদযীশুয়েও কৰিছিল ধৰ্মৰলগত ৰাজনীতি
যুগ যুগ ধৰি সেয়ে দুয়োৰে চলি আহিছে লেটিপেটি
পৰিয়ালৰ মাজতো ক্ষমতাৰ বাবে ৰাজনীতি হয়
ইতিহাসে চিঞৰি চিঞৰি ৰাজনীতিৰ কথাকে কয়
অশোক আকবৰৰ সভাতো চলিছিল ৰাজনীতি
ৰাজনীতিয়েই সময়ত হলগৈ গণতন্ত্ৰৰ ভেটী
সজ সৎ মানুহ এসময়ত ৰাজনীতিত হল উদাসীন
দেশৰ শাসন ব্যৱস্থা সেয়ে আজি অতিকে মলিন।

## 35.ষোল্ল মে

এক মে'ত হৈ গ'ল মে দিৱস
অসমীয়াৰ বাবে ষোল্ল মে বিশেষ
মোদীয়ে কলে বাংলাদেশী লাগিব যাব
অসমীয়া অসমত সংখ্যা গৰিষ্ঠ হৈ ৰব
মোহাচ্ছন্ন হল মোদীৰ ভাষণৰ ভাষাত
মোদীক দিলে ভোট বিদেশী খেদাৰ আশাত
তিৰিশ বছৰে হৈছিল বিদেশীৰ নামত ৰাজনীতি
মোদীয়েও বিদেশীৰ নামত কৰি গল কুটনীতি
নিৰ্বাচন জিকি অসমৰ বিদেশী সমস্যা পাহৰিলে
অসমৰ পৰা কলীয়া ডাৱৰ আজিও নাতৰিলে
নাগৰিকত্ব সংশোধনী বিলে আনিলে নতুন লেঠা
ষোল্ল মে আহিলে সেয়ে অসমীয়াৰ মনত হয় বেথা।

## 36.ধৰ্মত অশান্ত আজিৰ পৃথিবী

ধৰ্মৰ বাবেই মধ্যপ্ৰাচ্য অশান্ত
ইউৰোপকো কৰে দিগভ্ৰান্ত
শৰণাৰ্থীৰ বোজা যিমানে লব
বোমা বাৰুদত তেজৰ দাগ হব
এচিয়াৰ কথা নকলেও হয়
আমেৰিকাকো অস্থিৰ কৰি থয়
চীন ৰাছিয়াত ধৰ্মৰ প্ৰভাব কম
তথাপি তাতো মাজে সময়ে ফুটে ব'ম
ধৰ্মত পাগলবোৰ যিদিনা সজাত হব বন্ধ
ধ্বংসলীলা তেতিয়াহে পৃথিবীত হব স্তব্ধ।

## 37.শাকপাচলি হল কাল

গৰু খা গাহৰি খা আৰু খা কাছ
ধৰ্মত নামত খাদ্যবোৰ কিয় বাছ
তাহানি আইতাই নাখাইছিল কুকুৰা
বেমাৰতো দলিয়ালে শিঙিৰ টুকুৰা
ইউৰোপ আমেৰিকাত বহুতে খাই গৰু
ৰেষ্টুৰেণ্টত আছে জানো বেলেগ চৰু
অসমীয়াই ভাল পাই জীয়া মাছ খাই
সুখৰ কথা মাছৰ লগত ধৰ্মৰ সমন্ধ নাই
জলবায়ু ভূগোলে খাদ্য নিৰ্ণয় কৰে
ধৰ্ম বুলি মানুহে কাজিয়া কৰি মৰে
নিৰামিষ ভোজন যদিও সকলোতকৈ ভাল
কীটনাশকৰ হেচাত শাকপাচলিও হল কাল।

## 38.হিউমেনিষ্ট মই

হিউমেনিষ্ট মই দুখীয়াৰ কথা কওঁ
দুখীয়াৰ কথা কলে কমিউনিষ্ট বুলি কয়
অসমী আইৰ দুখ সহিব নোৱাৰো
আলফা বুলি কলেও ভয় নকৰো
ধৰ্মৰ অন্ধবিশ্বাসক সমালোচনা কৰো
নাস্তিক বুলি বহুতৰে গালি খাই মৰো
অখণ্ড ভাৰতৰ কথাকলে আৰএচএচ কয়
ভাৰত মাতা কলেও মই হিন্দুত্ববাদী নহয়
তিন তালাক বহু বিবাহ বোৰ্খা বেয়া পাওঁ
জাতপাত বিহীন এক আল্লাত বিশ্বাস সজবুলি কওঁ
নাস্তিক সকলকো মৰম চেনেহৰে আদৰি লওঁ
যীশুৰ বাণী মানি পাপীক নহয় পাপক কৰো ঘিণ
উচ্ছনীচ জাতিধৰ্মৰ বিভেদেৰে কাকোনাভাবো হীন!

## 39.ঐ অসমৰ পৰচ সকল

ঐ অসমৰ পৰচ সকল
কৰমত ধৰ কৰমত ধৰ
পথৰ বগলত কথন-মথন নকৰ
গছৰ তলত মদৰ বটল নধৰ
চৰত পৰৰ জনপদৰ নৰৰ দখল
নগৰ চহৰৰ চলন হল দখল
ইদৰ সময়ত হয় চহৰত গম
পথত নৰৰ খদমদম বৰ কম
পৰৰ জনপদৰ নৰৰ জনম বৰ খৰ
এই সময়ত ততধৰ পলম নকৰ
তৎপৰ হ কৰমত উৎসব কম কৰ
ব ফচল কল ফলৰ গছ অগণন
আশয় নহব অসমত পৰৰ জনপদৰ নৰৰ।

## 40.নত নহওক অসমৰ পগৰ

অসম ঘৰষণ কলহৰ কবলত
ঘপ ঘপ হয় চটৰ বটৰ ধৰফৰ
ছল কপট জক জগৰৰ জখম
বহল নহল অসমৰ নৰৰ মন
অনবৰত জনৰৱত তনমন জমজম
জহ গল এসময়ৰ অসমৰ জলক
আহম সকলৰ জয়জয় তল গল
ঠকঠক কপন বগলৰ জনপদৰ নৰৰ ভয়ত
ডঢ় হ অসমৰ জনগণ নকৰ ডৰ ভয়
ডল তক্ষক হতক তমক ভমক ৰণত
থমক নহওক পৰচ সকলৰ চৰণ
নত নহওক অসমৰ বদন কমলৰ পগৰ।

## 41.ভাষা ধৰ্মৰ নকৰা সংঘাট

সমাজ সুস্থ ভাবে চলিবলৈ হল ধৰ্মৰ সৃষ্টি
ধৰ্মৰ লগতেই উজলিল দেশৰ কলা কৃষ্টি
ধৰ্ম কৃষ্টিৰ গয়নাতে হল ভাষা সমৃদ্ধিৰ বৃষ্টি
ভাষাৰ প্ৰসাৰতে মুকলি হল নৰৰ জ্ঞান দৃষ্টি
সময়ে আনিলে ভাষা ধৰ্ম কৃষ্টিৰ অযথা সংঘাট
সম্ৰসাৰণবাদৰ প্ৰভাবত ক্ষুদ্ৰ ধৰ্ম ভাষা উৎখাত
সমন্বয়ৰ দোলদাল সোলোক ধোলোক হল
ধৰ্ম ভাষাৰ বিভেদত বিশ্ব ভাগ ভাগ হৈ গল
জীৱশ্ৰেষ্ঠ তুমি ভাষা ধৰ্মৰ উৎকৰ্ষ সাধন কৰা
ভাষা ধৰ্মৰ নামত হিংসা খেয়াল যুজবাগৰ নকৰা।

**42.হাতীত উঠিলে ডাঙৰ মানুহ নহয়**

জোনবায়ে নিদিলে এটাও বেজী
শৈশব পাৰহৈ বৃদ্ধ হলোহি খুজি খুজি
ধনৰ দেখোন নহল কোনো আগমন
মোনা চিলাবলৈ সেয়ে নহল প্ৰয়োজন
উঠি ফুৰিবলৈ এতিয়া নালাগে আৰু হাতী
মাহেকীয়া কিস্তিতে পোৱা যায় ভাল গাড়ী
হাতীত উঠিলে এতিয়া ডাঙৰ মানুহ নহয়
মন্ত্ৰী এমেলে হলেহে আগে পাচে মানুহ হয়।

**43.শিক্ষা ব্যৱস্থা**

লক্ষ লক্ষ শিক্ষিত নিবনুৱা
হাতত কেবল ডিগ্ৰী নামৰ কাগজ
নাই কোনো কৌশল নাই জ্ঞান
অভিজ্ঞতা হল চাকৰীৰ আবেদন
নোৱাৰে লিখিব অসমীয়া নোৱাৰে ইংৰাজী
আবেদন পত্ৰও দিয়ে নকল কৰি
মকৰলৰ পৰীক্ষা দিয়ে স্মাৰ্টফোন ধৰি
নোৱাৰে চলাত হাটুৰী বটালী কেচি
নাঙল ট্ৰেক্টৰ পোৱা নাই কাহানিও হেচি
কিতাপৰ বোজাবৈ নম্বৰৰ কাগজ ললে
জীৱন যুজত কিন্তু নম্বৰৰ কাগজ নচলে
কেৰাণী মহৰিৰ বাবে লক্ষ লক্ষ আবেদন
প্লাম্বাৰ ইলেক্ট্ৰিচিয়ান পাচে বহুতো কম
শিক্ষা ব্যৱস্থাই নৱ প্ৰজন্মক কৰিছে পঙ্গু
নকল কৰি হলেও লাগে ডিগ্ৰী নামৰ ফুটা তম্বু
কেনেকৈ সমাধান হব নিবনুৱা সমস্যা
শিক্ষা ব্যৱস্থা পৰিবৰ্তনৰ কাৰো নাই ইচ্ছা।

**ওলোমা বাদুলী**

ধৰ্ম নিৰপেক্ষতাৰ ডালত বহি
ধৰ্মান্ধবোৰৰ ওলোমা বাদুলী
নিশা হলেই উৰিব পাখি মেলী
পুৱা হলে আকৌ আহিব উভতি
পোহৰত ডালবোৰ ধৰিব সাবতি
বোজাৰ ভৰত যেতিয়া ভাঙি পৰিব
নিৰপেক্ষবোৰে থৰকাচুতি হেৰুৱাব।

### 44.জীৱনৰ পৰিধি

নতুন প্ৰজন্মই নাজানে জীৱনত কি বিচাৰে
স্মাৰ্টফোন নেটৰ পাচত ঘূৰি সকলো পাহৰে
নুবুজে অকনো মানুহ জীয়াই থাকে কিহেৰে
মৰিচিকা খেদি খেদি বিয়লি বেলিকা ভাগৰে
সমাজৰ প্ৰতি দায়বদ্ধতা সৰুতে পাহৰি যায়
আপোনপেটীয়া হৈ কেৱল নিজৰ পেট ভৰায়
বন্ধুৰ সৰু পৃথিবীত নিজক কৰি লয় আবদ্ধ
মৰম চেনেহ দয়া ক্ষমা আদৰ সন্মান সীমাবদ্ধ
সৰু সুৰা ধুমুহাতে দুখশোক কান্দোনত ভাঙি যায়
দুখৰ মাজতেই যে সুখ লুকাই আছে বিচাৰি নাচায়
জীৱনত পৰিধি সীমাহীন কৰি মুকলি কৰি দিয়া
অমাবশ্যাটো জোনাকৰ পোহৰ বিচাৰি লোৱা।

### 45.সপোন

মনৰ আশাবোৰ যেতিয়া আকাশত উৰে
নিশাৰ আন্ধাৰত সেইবোৰেই সপোন হৈ সৰে
অবচেনত মনত সকলো আশা সম্ভব হৈ পৰে
সাৰ পাই সপোন পাহৰি সকলোৱে কামত ধৰে
কামৰ বলতেই সপোনবোৰ এদিন সাৰ্থক হয়
কামৰ অবিহনে সপোনবোৰ সপোন হৈয়ে ৰয়
অলীক কল্পনা কেতিয়াও সচা সপোন নহয়
মুংগেৰীলালৰ হাঁহি উঠা দিবাস্বপ্ন বুলি কয়।

### 46.হৰি হৰৰ যুজ

অসমত এতিয়া ভাষা আৰু ধৰ্মৰ যুজ
হৰি আৰু হৰৰ ৰণৰ যেন নতুন খোজ
ভাষা ধৰ্মৰ ৰণত মাথো অসম দুৰ্বল হব
হৰি-হৰৰ ৰণৰ দৰে তেজৰ নৈ মাথো বব
সমাধান কেবল মাথো যুক্তিৰে বুজাবুজি
উষা অনিৰুদ্ধৰ মিলন নাযাবা পাহৰি
হৰি হৰৰ যুজত নহয় কাৰো জয় পৰাজয়
নিৰীহৰ তেজবোৰ ইতিহাসৰ সাক্ষী হয়
অসমবাসী সেয়ে ধৰ্ম ভাষাৰ সংঘাট এৰা
সমন্বয়েৰে নতুন অসম গঢ়া কামত ধৰা।

### 47.নম্বৰ মানে জীৱন নহয়

চৌৰাল্লিশ শতাংশই দেখো মেট্ৰিক কৰিলে ফেল
তৃতীয় বিভাগত কোনোমতে বহুতৰ চলিল ৰেল
বহু কেইজনে শেষ কৰিলে জীৱন যুজৰ খেল
শিক্ষা ব্যৱস্থাৰ মেট্ৰিক যেন এখন জীৱন্ত জেল
শিশুৰ প্ৰতিভা বিকাশত পৰীক্ষাৰ নাই অৰিহণা
বিফল হোৱা বুলি দিয়ে মাথো অযথা গৰিহণা
আজিৰ শিক্ষাব্যৱস্থাই মুখস্থ বিদ্যাক দিয়ে উদগণি
সৰহ নম্বৰ নাপালে জ্ঞান আহৰণৰ পৰে সামৰণি
নম্বৰ মানেই জীৱন নহয় বুজিলোৱা হেৰা আইমনী
জ্ঞান আহৰণ কৰিলেহে জীৱনত পাবা পোৱালমনী
ফেল কৰিলো বুলি আত্মহত্যাৰ ভাব নানিবা মনত
প্ৰতিভা বিকাশত লাগা বিজয়ী হবা জীৱনৰ ৰণত।

### 48.নম্বৰ নহওক শেষ লক্ষ্য

জীৱনৰ একা বেকা দীঘল বাটত
নম্বৰ নাহে এদিন একো কামত
বুদ্ধিমত্তা জ্ঞান কৌশল বেচি দৰকাৰী
নহলে দৌৰিব লাগিব বিচাৰি চাকৰী
প্ৰথম ভৰ্ত্তিৰ বাবেহে সৰহ নম্বৰ লাগে
কৰ্ম জীৱনত পাচ পৰি বহুতে হতাশাত ভাগে
সৰহ নম্বৰ বুলি নহবা অতিকে উৰ্ত্তাউল
কম নম্বৰৰ বচে এদিন ভাঙিব সেই ভুল
নৈতিকতা মানবীয়তা সততাতো সৰহ নম্বৰ লোৱা
জ্ঞানৰ পৰিধি বহলাই সজ কৰ্মঠ নাগৰিক হোৱা।

### 49.সপোন যেন বৰষুণ জাক

সপোন যেন বৰষুণ জাকে ধুৱাই গল চৰণ
জলবন্দী হৈ হাতত জোতা লৈ এতিয়া মৰণ
জেঠ মাহতেই বৰষুণে কৰিলে চহৰৰ ৰূপ হৰণ
ভৰ বাৰিষাত আকৌ লব লাগিব ৰিক্সাত শৰণ
সপোন যেন বৰষুণ জাক আহে বছৰে বছৰে
খোৱা পানীৰ সংকত আজিও দেখো নাতৰে
পানী কিনি কিনি মহানাগৰিক হয় হায়ৰাণ
সমাধানৰ নামত অতদিনে শুনিলো মাথো বাক্যবান!

## 50.**ধৰ্ম কৰিলে চাউল নিসিজে**

আটাইতকৈ ডাঙৰ হৰি কথা
তাতোকৈ ডাঙৰ চাউল কঠা
হৰিৰ কথা দেখো বহুতো হল
চাউলৰ সমস্যা আজিও ৰল
ধৰ্ম ধৰ্ম কৰিলে চাউল নিসিজে
মনবোৰ মাথো আবেগত ভিজে
আজানৰ চিঞৰবোৰ বন্ধ কৰা
প্ৰগতিৰ বাবে কামে কাজে ধৰা।

## **51.সংঘাটৰ সময়ত শংকৰক আদৰা**

হিন্দু ইছলাম খৃষ্টান ধৰ্মৰ শংকৰে কৰিলে ফিউজন
প্ৰতিস্থা কৰিলে অসমত মুলুকত ধৰম একশৰণ
একশৰণত একদেউ একসেৱ একতবিনে নাই কেৱ
ইছলাম খৃষ্টান ধৰ্মতো এক ঈশ্বৰ এজনেই হল দেউ
হিন্দুৰ উদাৰতাবোৰ শংকৰে আদৰি ৰাখিলে
ইছলামৰ গোড়ামি বোৰ দলিয়াই পেলালে
খৃষ্টানৰ প্ৰগতিশীল চিন্তাধাৰা একশৰণত সামৰিলে
ভাষাৰ ক্ষেত্ৰতো শংকৰে সুন্দৰ সংমিশ্ৰণ আনিলে
ব্ৰজাৱলীত লিখিলে ৰাম বিজয় আৰু বহু নাট
ইছলামৰ দৰে একশৰণতো নাৰাখিলে জাত পাত
জাগ যজ্ঞ বলি বিধান সকলো আতৰাই থলে
একতাৰ দোলেৰে অসম খন চিৰদিনলৈ বান্ধিলে
অসমৰ ভাষা ধৰ্মৰ সংঘাটত শংকৰক আদৰা
একশৰণ ধৰ্মৰ আৰ্দশেৰে সকলো ধৰ্মক সামৰা।

## **52.বিবেক আৰু আবেগ**

বিবেক আৰু আবেগ দুয়ো যমজ ককাই ভাই
আবেগে কৰা ভুলবোৰ বিবেকে শুধৰাই
আবেগে কয় কামবোৰ তৎক্ষণাত কৰো
বিবেকে কয় যুক্তিৰে চালিজাৰি কামত ধৰো
আবেগত হয় কজিয়াপেচাল মাৰপিত খং ৰাগ
বিবেকে কয় শান্ত হোৱা চৰিত্ৰত নলগাবা দাগ
আবেগৰ বশৰ্বতী হৈ জীৱনে কৰে বহুতো ভুল
বিবেকৰ ফুলনিত মৰহি যায় বহুতো নুফুলা ফুল
আবেগৰ কথাবোৰ বিবেকেৰে ফহিয়াই চাবা
আবেগ বিবেকৰ সমন্বয়ত জীৱনৰ মৌকোহ পাবা।

**53.লাভ লোকচান**

জীৱনত নুজুখিবা সকলো লাভ লোকচানেৰে
জীৱন জুমিচাবা কেতিয়াবা মনৰ জোনাকেৰে
জীৱন নহয় মাথো জমাখৰছ লাভ লোকচানৰ
জীয়াই থাকিবৰ বাবে দৰকাৰ মৰম চেনেহৰ
প্ৰেম ভালপোৱা নহয় লাভ লোকচানৰ সামগ্ৰী
বন্ধুত্বৰ এনাজৰী হিচাবৰ হেচাত নাজাবা পাহৰি
দয়া ক্ষমা মানবতা সততা নেৰিবা লাভৰ লোভত
জীৱনত গ্ৰহণ লাগিব লাভ লোকচানৰ দুখত।

**54.বলি জবই নহয় ঈশ্বৰ আৰধনা**

বলি হালাল একে মুদ্ৰাৰে ইপিঠি সিপিঠি
ঈশ্বৰৰ নামতেই হয় বলি আৰু কোৰবানী
আল্লা ঈশ্বৰৰ নহয় অকনো মেহেৰবানী
হিন্দু ুমুছলমানৰ বিৰোধ বলি জবয়ে নকৰে কম
বলি কোৰবানীত নহয় ঈশ্বৰ আল্লাৰ সংগম
বলি হালাল হল ঈশ্বৰৰ নামত দুৰ্বল জীৱৰ বধ
জীৱ শ্ৰেষ্ঠ মানুহৰ কাণ্ড দেখি আল্লা হয় তবধ
সৎ পথ সজ কামেৰে আল্লাক কৰা নামাজ
বলি নিদিলেও ঈশ্বৰে শুনে সৎ মানুহৰ আৱাজ।

**55.আমাৰ ডিএনএ**

আমাৰ ডিএনএত এতিয়া দূৰ্নীতি
ৰক্ত প্ৰবাহ সেয়ে ধনৰ লগত বয়
সমাজৰ সকলো স্তৰতে অৱক্ষয়
ঈশ্বৰতকৈ শক্তিমান এতিয়া হল ধন
ঈশ্বৰ মাথো ধন ঘটাৰ প্ৰহসন হৈ ৰল
মন্দিৰ মছজিদ গীৰ্জাত ধনৰ কব্জা
প্ৰাৰ্থনাৰ পবিত্ৰতাই হেৰুৱালে উৰ্জা
ধন লৈ পূজাৰীয়ে কৰে ধনৰ পূজা
ঈশ্বৰ হৈ ৰয় মাথো গোন্ধোৱা মোজা
ডিএনএ সলনি হবলৈ বিৰ্বতন লাগিব
তেতিয়াহে দূৰ্নীতিৰ দৈত্যতো মৰিব।

## 56.কামাখ্যাত হওক নৰবলি

আহক আকৌ কামাখ্যাত নৰবলি আৰম্ভ কৰো
মূখ্য পুৰোহিত জনকে এই বাৰ পূজাত ধৰো
প্ৰতি বছৰে এক ডৰ্জনকৈ পাণ্ডাক দিও বলি
দেৱীয়ে দিব সকলোৱে আৰ্শীবাদ হৃদয় খুলি
পাণ্ডা সকল দধিচিৰ দৰে জগতত অমৰ হব
স্বৰ্গতো তেওলোকৰ আনন্দ সুখ কম নহব
নিমাখিত প্ৰাণীৰ বহুতো কোৰবানী বলি হল
অসমৰ দুখ দুৰ্দশা দেখো অকনো কম নহল
জন্তুৰ তেজ খাই খাই দেৱীৰ লিভাৰ হল বেয়া
পুৰোহিতৰ তেজেৰে কৰো আহা দেৱীৰ সেৱা
অসমৰ সকলো সমস্যা সোনকালে আতৰিব
পাণ্ডা সকলক অসমৰ ৰাইজে ধন্য ধন্য বুলি কব।

## 57.বৰ্ণ জাতপাত নিপাত যাওক

পুৰণিকলীয়া অন্ধকাৰত মলিয়ন এইখন দেশ
অন্ধবিশ্বাস জাতপাত হব জানো কেতিয়াবা শেষ
বুদ্ধাই এসময়ত কৰিছিল সকলোকে এক লগ
অশোকৰ দিনৰ জাত পাত বিহীন সমাজ ক'ত
এৰৈকেশ শতিকাতো সকলো জাতপাতৰ নামত হয়
নিৰ্বাচন বিয়া মন্দিৰত প্ৰবেশ জাতে সিদ্ধান্ত লয়
জাতপাত বৰ্ণবৈষম্যৰ এক আদিম অমানবীয় বেশ
ব্ৰাহ্মৈণ্য বাদ ৰীতিনীতিৰ বাবে আজিও নহল শেষ
আফ্ৰিকা মহাদেশতো বৰ্ণবৈষম্য আজি আৰু নাই
জাতপাতৰবাবেই হিন্দুয়েহিন্দুক নাভাবেনিজৰ ভাই
ছশবছৰ আগতেই শংকৰে আানিছিল নৱজাগৰণ
জাতপাত বৰ্ণৰ উৰ্দ্ধত হিন্দুৰ হওক একত্ৰীকৰণ
অসম মুলুকৰ বাবে শংকৰে প্ৰচাৰ নাপালে
ভাৰতত বহুতে বৈষমৰবাবে ইচলামক আদৰিলে
শংকৰৰ আৰ্দশয় কৰিবপাৰিব সকলো হিন্দুক এক
বৰ্ণ জাতপাত বৈদিক নিয়মত হিন্দু নহওক নিঃশেষ
এক ভাৰত সবল ভাৰত জাতপাত শেষ হলেহে হব
সকলোৱে একেলগে ভাৰতমাতাৰ জয় চিঞৰি কব!

**58.মানবতাৰ কবৰ**

মানবতাৰ কবৰত
গাও আমি আধুনিকতাৰ গান
পলে পলে ধৰ্ষণত হেৰায়
জীৱশ্ৰেষ্ঠ মানবৰ মান
নম্বৰ পাচত দৌৰি দৌৰি
শৈষব কৌশোৰ হেৰৱালো
ধনৰ লোভত যৌবন পাহৰি গলো
মৰিচিকা খেদি খেদি
সমাজ খন পাহৰিলো
ওভতি চাইহে বুজিলো
জীৱনৰ অমিয়াবোৰ
বাটতে দেখো হেৰুৱালো
মানবতাৰ কবৰত
গাও আমি আধুনিকতাৰ গান
পলে পলে ধৰ্ষণত হেৰায়
জীৱশ্ৰেষ্ঠ মানবৰ মান;
মৰম চেনেহ বোৰক
নিদিলো একো মূল্য
ধন সম্পতিকে ভাবিলো
সম্পদ জীৱনৰ অমূল্য
সুৰাৰ ৰাগীত সকলো পাহৰিলো
সম্বতি ঘূৰাই অন্ধকাৰ দেখিলো
লোভমোহত সমাজ খন ভাঙিলো
কবৰত সেয়ে কোনেও চাকি নজলাই
অনুতাপত মাথো কৰো হায় হায়
মানবতাৰ কবৰত
গাও আমি আধুনিকতাৰ গান
পলে পলে ধৰ্ষণত হেৰায়
জীৱশ্ৰেষ্ঠ মানবৰ মান।

## 59.এক বিশ্ব এক মানৱ

আহক বিশ্বখন সকলোৱে সৰ্বাংগসুন্দৰ কৰো
ধৰ্ম জাত বৰ্ণ বিদ্বেস আতৰোৱাৰ কামত ধৰো
চিয়া চুন্নীৰ অযথা কাজিয়া বোৰ শেষ হওক
নাৰী সবলীকৰণৰ বাবে তিনতালাক আতৰ কৰক
নাৰীপুৰুষৰ লিংগবৈষম্য এঁকৈশশতিকাৰ পথ নহয়
জাত পাতৰ বিভেদৰ ওপৰত ভাৰতে কৰক বিজয়
কেথলিক প্ৰটেষ্টাণ্ট হীনযান মহাযান মানুহৰে সৃষ্টি
সকলোৱে মিলি ৰাখো আহা কেবল ৰহণীয়া কৃষ্টি
সকলো মানুহৰ দেহত একেই ৰঙা তেজৰ সোত
ৰাজতন্ত্ৰগণতন্ত্ৰকমিউনিজিম বিলীন সময়ৰ গতিত
ব্যৱসায়ৰ গোলকীকৰণৰ দৰে মনবোৰ হওক এক
ধৰ্ম বৰ্ণৰ সীমা দেশৰ নামত পৃথিবী হৈ নৰব ঠেক।

## 60.জুবিন তুমি নিদিবা উপদেশ

অন্ধ বিশ্বাস বলি বিধানৰ এইখন আন্ধাৰ দেশ
মানুহৰ মনত বিজ্ঞানে ইয়াত নকৰিলে প্ৰবেশ
মেকুৰী আগৰে গলে গাড়ীয়ে ধৰে ব্ৰেক
জ্যোতিষীয়ে নিৰ্ণয় কৰে বিয়া সবাহৰ মূহুৰ্ত্ত
দুটা শালিকা দেখিলে মন হয় উৎফুল্লিত
মানসিক ৰোগীক কয় শিৱ ভগবানৰ অবতাৰ
ৰামৰহিম আচাৰামে কৰে নাৰীৰ সতীত্ব চাৰখাৰ
মন্দিৰ মছজিদ তিনতালকত দেশত হয় হাহাকাৰ
শান্তি আৰু বানপানী ৰোধৰ বাবে পাল নাম গাই
বেমাৰ আজাৰ শণীৰ দশা বুলি পূজাত প্ৰসাদ খাই
জাত পাত ইয়াত বিন্ধ্য হিমালয়ৰ দৰে সদায় উচ্ছ
যোনি আৰু লিংগ ভগবান আল্লাৰ সমানে পূজ্য
আমেৰিকা ইউৰোপত গৈ বিজ্ঞানৰ নোবেল পালে
গৌৰবত ভাৰতীয়ই নিজৰমানুহ বুলি মহ বলি দিলে
সতী বুলি কোনোবাই কৰে যদি আজিও আত্ম হনন
লক্ষলক্ষ জনে শ্মশানত গৈ আৰম্ভ কৰিদিয়ে পূজন
ভূত প্ৰেতৰ নামত নিতৌ চলে পূজা আৰু বেজালি
চিকিৎসাৰ নামত পানী জাৰি জীৱনক লৈ হেতালী
অন্ধবিশ্বাস বলি বিধানৰ এইখন আন্ধাৰ দেশ
জুবিন তুমি ইয়াত নিদিবা কাকো ভাল উপদেশ।

**(composed after demise of the Legend)**

## 01.এই মৰণ হজম নহয়

অসমৰ জনগণৰ এই মৰণ হজম নহয়
বছৰ বছৰ মনত ৰব এই মৰণৰ পল
'চৰণৰ গম হয় মৰণৰ চহৰ'  সজ বচন
এদল নৰৰ লগত জলত মৰণ হজম নহব
লগৰ লগ সকল সময়ত ক'ত গল?
অথচ ধন ঘটনৰ সময়ত বৰ বৰ বচন
জলত মৰণ বৰ কম নৰৰ হয়
সৰহ নৰৰ দ জলধৰত ওপঙনৰ ভয়
য়টৰ ওপৰৰ সকল ৰং ৰহইচত ৰ'ল
অসমৰ নয়ন জন জলধৰত তল গ'ল
মৰণৰ সময়ত ওচৰত নহল ঘৰৰ নৰ
বৰ বৰ নটবৰ সকলৰ বদ কৰমৰ এই ফল
সময়ত এই সকলৰ হওক চটফট পতন
অসময়ত গ'ল অসমৰ এক তপন সম ৰতন।

## 02.মৃত্যুৰ পাছৃত কাৰো নকবা বেয়া

মৃত্যুৰ পাচত ৰাৱণকো বেয়া বুলিব নাপায়
গীতা আৰু ভাগৱতে আমাক তাকেই শিকাই
মৃত্যুৰ পাচত হেনো সকলো আত্মা এক হৈ যায়
আত্মা বিশ্বাসী সকলে আত্মাৰ সজ গুণ গায়
জুবিন এতিয়া ভৌতিক পৃথিৱীত আৰু নাই
জুবিন প্ৰেমী সকলে কৰি আছে দুখত হায় হায়
অথচ এচামে মৃত্যুৰ পাচতো সমালোচনা কৰি যায়
জুবিনৰ গানবোৰ এতিয়া গুণ গুণাই গোৱা
জুবিনৰ সজ গুণবোৰ সকলোৰে আগত কোৱা।



১৯৬১ চনৰ ২৪ এপ্ৰিলত তেজপুৰৰ মিচন হস্পিতালত জন্ম গ্ৰহণ কৰা দেৱজিৎ ভূঞাই পৰৱৰ্তী সময়ত ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰথম বিভাগত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হয়। অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণীত ইলেকট্ৰিকেল বিভাগত উত্তীৰ্ণ হৈ বঙাইগাঁও শোধনাগাৰত কৰ্মজীৱনৰ পাতনি মেলে। অসম ট্ৰিবিউন কাককত কেৰিয়াৰ বিষয়ৰ লিখনি আৰম্ভ কৰা ভূঞাই পৰৱৰ্তী সময়ত চেণ্টিনেল, নৰ্থ ইষ্ট টাইমছ, আমাৰ অসম, অসমীয়া প্ৰতিদিন আদি কাকততো বহুদিন ধৰি কেৰিয়াৰৰ ওপৰত লেখা মেলা কৰে। ১৯৯৯ চনত দিল্লীৰ পুস্তক মহল নামৰ বিখ্যাত প্ৰকাশক গোষ্ঠীয়ে প্ৰকাশ কৰা Multiple Career Choices নামৰ কিতাপখনে গোটেই ভাৰতবৰ্ষতে জনপ্ৰিয়তা লাভ কৰে। পৰৱৰ্তী সময়ত প্ৰকাশহোৱা A Complete Guide to Career Planning আৰু Career Opportunities in Medicine and Healthcare কিতাপ দুখনেও যথেষ্ট জনপ্ৰিয়তা লাভ কৰে। ২০২০ চনৰ ফেব্ৰুৱাৰি মাহত একেলগে একেদিনাই ৩৪ খন নিজে ৰচনা কৰা গ্ৰন্থ উন্মোচন কৰি এক বিৰল কৃতিত্বৰ অধিকাৰী হয়। কোনো ধৰণৰ কাৰ নোহোৱাকৈ ৪ খন কাব্য গ্ৰন্থ ৰচনা কৰা তেখেত ভাৰতৰ একমাত্ৰ কবি। একে নিশাতে এখন আৰু একে দিনতে এখন কবিতা পুথি ৰচনা কৰা দেৱজিৎ ভূঞা শ্ৰীমন্ত শংকৰ দেৱৰ পাচত দ্বিতীয় জন ভূঞা। এতিয়ালৈকে ৪৫ টা ভাষাত গ্ৰন্থ অনুবাদ হোৱা আৰু প্ৰকাশ হোৱা দেৱজিৎ ভূঞা প্ৰথম অসমীয়া লেখক। ISBN নম্বৰ সহ বৰ্তমান 260 খন গ্ৰন্থ প্ৰকাশ হোৱা দেৱজিৎ ভূঞাৰ লিখনি "উদ্যোগী হওঁ আহা" বৰ্তমান দশমশ্ৰেণীৰ পাঠ্যপুথিৰ এক জনপ্ৰিয় পাঠ। বিশ্বজুৰি ভ্ৰমণ কৰি ভালপোৱা দেৱজিৎ ভূঞাই এতিয়ালৈকে 30 খন দেশ ভ্ৰমণ কৰি অভিজ্ঞতা আহৰণ কৰিছে। দেৱজিৎ ভূঞাৰ বিষয়ে অধিক জানিবৰ বাবে তেওঁৰ ৱেবছাইট www.devajitbhuyan.com দৰ্শন কৰক।